**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-12-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অসমৰ গুৱাহাটী লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত নৱনিৰ্মিত টাৰ্মিনেলটো উদ্বোধন কৰে।

২। প্ৰধানমন্ত্ৰীয়ে কাইলৈ গুৱাহাটীৰ ব্ৰহ্মপুত্ৰত এখন জাহাজত ৰাজ্যৰ ২৫ গৰাকী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীত অংশ ল'ব।

৩। পশ্চিমবংগৰ নাডিয়া জিলাত প্ৰধানমন্ত্ৰীয়ে আজি দুটা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্প মুকলি কৰাৰ লগতে আন কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

৪। উন্নত ভাৰতৰ বৈদেশিক নীতি সুদূৰপ্ৰসাৰী পৰিকল্পনাৰ সৈতে দীৰ্ঘকালীন তথা অভিলাষী হোৱা উচিত বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে মন্তব্য কৰিছে।

*আৰু*

৫। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আয়ে আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ১৫জনীয়া দল ঘোষণা কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অসমৰ গুৱাহাটী লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত নৱনিৰ্মিত টাৰ্মিনেলটো উদ্বোধন কৰে। তেওঁ লগতে এই নতুন টাৰ্মিনেলৰ বাহিৰত নিৰ্মাণ কৰা অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ ৮০ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি এটাও উন্মোচন কৰে। প্ৰায় এক লাখ ৪০ হাজাৰ বৰ্গ কিলোমিটাৰ এলেকা সামৰি নিৰ্মাণ কৰা এই নতুন টাৰ্মিনমেলটোৱে বছৰি এক কোটি ৩০ লাখ যাত্ৰীক সেৱা আগবঢ়াব। এই নতুন ভৱনটোত বাঁহ আৰু কপৌফুলৰ বিষয়বস্তু সন্নিৱিষ্ট কৰি অসমৰ জৈৱ বৈচিত্ৰ আৰু সাংকৃতিক ঐতিহ্যৰ দ্বাৰা অনুপ্ৰাণিত হৈ অংকণ কৰা হৈছে। এই উপলক্ষে আয়োজিত এখন সভাত অংশগ্ৰহণ কৰি যোৱা ১১ বছৰত অসমত বহু লাখ কোটি টকাৰ বিভিন্ন বৃহৎ আৰু ঐতিহাসিক আন্তঃগাঠনিমূলক প্ৰকল্প আৰম্ভ আৰু বহু প্ৰকল্প সম্পূৰ্ণ কৰা হৈছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। এক্ট ইষ্ট নীতিৰ অধীনত কেন্দ্ৰই অসমৰ অগ্ৰাধিকাৰ দিয়া বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ৰাজ্যখন বিকশিত ভাৰতৰ বাবে এটা ইঞ্জিনত পৰিণত হ'ব। আজিৰ দিনটোক উন্নয়নৰ উদযাপন বুলি অভিহিত কৰি শ্ৰী মোদীয়ে অসমৰ উন্নয়নত এটা নতুন পৃষ্ঠা সংযোজিত হ'ল বুলি উল্লেখ কৰে। তেওঁ কয়, যে এয়া কেৱল অসমৰে নহয়, বৰঞ্চ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰে উন্নয়নৰ উদযাপন। শ্ৰী মোদীয়ে কয়, যে অসমত বিশাল ব্ৰহ্মপুত্ৰ নদী বৈ থকাৰ দৰে বিজেপিৰ দ্বৈত ইঞ্জিনৰ চৰকাৰৰ অধীনত ৰাজ্যখনৰ উন্নয়নৰ সেৱাও অব্যাহত আছে। অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈ ৰাজ্যখনৰ গৌৰৱ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে

কয়, যে তেওঁৰ প্ৰতিমূৰ্তিয়ে বৰ্তমান আৰু ভৱিষ্যতৰ প্ৰজন্মক অনুপ্ৰেৰণা যোগাব। অসমৰ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন কংগ্ৰেছৰ কাৰ্যসূচীৰ অন্তৰ্গত নাছিল বুলি শ্ৰী মোদীয়ে অভিযোগ তোলে। অনুষ্ঠানত অংশগ্ৰহণ কৰি অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নতুন টাৰ্মিনেলৰ উদ্বোধন ৰাজ্যখনৰ উন্নয়নৰ দিশত এটা ঐতিহাসিক পদক্ষেপ বুলি অভিহিত কৰে। শ্ৰী শৰ্মাই কয়, যে এই বিমান বন্দৰটোৱে অসমক শক্তিশালী কৰাই নহয়, বৰঞ্চ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ সংযোগ, পৰ্যটন আৰু অৰ্থনৈতিক উন্নয়নক এটা নতুন গতি প্ৰদান কৰিব। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰীয়ে এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰি বিজেপিৰ ৰাজ্যিক মুখ্য কাৰ্যলয়লৈ যায় আৰু দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰে।

শ্ৰীমোদীয়ে কাইলৈ গুৱাহাটীৰ ব্ৰহ্মপুত্ৰত এখন জাহাজত ৰাজ্যৰ ২৫ গৰাকী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীত অংশ লৈ তেওঁলোকৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নৱনিৰ্মিত ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি অসম আন্দোলনৰ ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি তৰ্পণ কৰিব।

প্ৰধানমন্ত্ৰীগৰাকী ইয়াৰ পাছত কাইলৈ নামৰূপলৈ যাব আৰু নামৰূপ সাৰ কাৰখানাত ১২ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ ভূমি পূজনত অংশগ্ৰহণ কৰিব। তেওঁ লগতে এখন জনসভাতো অংশ ল'ব।

oooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি পশ্চিমবংগৰ নাডিয়া জিলাৰ ৰাণাঘাটত প্ৰায় তিনি হাজাৰ দুশ কোটি টকা মূল্যৰ দুটা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্প মুকলি কৰাৰ লগতে আন কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে নাডিয়া জিলাৰ ৩৪ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বাৰজাগুলি কৃষ্ণনগৰ সংযোগী ৬৪ দশমিক সাত কিলোমিটাৰ দৈৰ্ঘ্যৰ চাৰিলেনযুক্ত পথছোৱা মুকলি কৰে। তেওঁ লগতে উত্তৰ চৌবিশপৰগণা জিলাৰ ৩৪ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বাৰাছাত-বৰ্জাগুলী সংযোগী ১৭ দশমিক ছয় কিলোমিটাৰ দৈৰ্ঘ্যৰ চাৰিলেনযুক্ত পথছোৱাৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰে। এই প্ৰকল্পকেইটাই কলকাতা আৰু শিলিগুড়িৰ মাজৰ সংযোগ সাধনত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব। ইয়াৰ ফলত ঠাই দুখনৰ যাত্ৰাৰ সময় প্ৰায় দুঘণ্টা হ্ৰাস পাব। এই প্ৰকল্পকেইটাই অঞ্চলটোৰ অৰ্থনৈতিক উন্নয়নত সহায় কৰাৰ লগতে পৰ্যটনখণ্ডৰ বিকাশত প্ৰভাৱ পেলাব। কলকাতাৰ পৰা আজি ফোনযোগে নাডিয়া জিলাৰ তাহেৰপুৰত পৰিৱৰ্তন সংকল্প সভাত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে ৰাজ্যখনত শাসকীয় দলৰ দুৰ্নীতি, স্বজনপ্ৰীতি আদিয়ে বিকাশত বাধা আৰোপ কৰিছে বুলি অভিযোগ তোলে। শ্ৰী মোদীয়ে কয়, যে ৰাজনৈতিক বিৰোধিতাক লৈ বিজেপিৰ কোনো আপত্তি নাই কিন্তু তৃণমূল কংগ্ৰেছ নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে উন্নয়নত বাধাৰ সৃষ্টি কৰিছে। মমতা বেনাৰ্জীৰ নেতৃত্বত দলটোৱে অনুপ্ৰৱেশকাৰীসকলক চিনাক্তকৰণ হোৱাৰ পৰা ৰক্ষা কৰিবলৈ ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনৰ প্ৰক্ৰিয়াৰ বিৰোধিতা কৰি আহিছে বুলি তেওঁ অভিযোগ তোলে।

oooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিকশিত ভাৰত- গ্ৰামীন নিয়োগ আৰু জীৱিকা নিশ্চিতকৰণ অভিযান বিধেয়ক, ২০২৫ চমুকৈ জি ৰাম জি বিলৰ উদ্দেশ্যক আলোকপাত কৰি কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে লিখা এটা প্ৰবন্ধ সমাজিক মাধ্যম যোগে শ্বেয়াৰ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে কয়, যে গ্ৰাম্য জীৱিকা এটা আধুনিত নিয়োগ নিশ্চিতি পৰিকাঠামোৰ মাজেৰে ৰূপান্তৰ ঘটোৱাটোৱে এই বিধেয়কখনৰ উদ্দেশ্য। শ্ৰী মোদীয়ে

কয়, যে বিধেয়কখনত শ্ৰমিকৰ নিৰাপত্তা শক্তিশালী কৰাৰ লগতে কৃষি উৎপাদনশীলতা উন্নীত কৰা, স্থানীয় পৰিকল্পনা সন্নিৱিষ্ট কৰা আৰু কল্যাণমূলক আঁচনিসমূহ একত্ৰিত কৰাত গুৰুত্ব আৰোপ কৰাৰ বিষয়ে শ্ৰী চৌহানে প্ৰবন্ধটোত উল্লেখ কৰিছে। এই বিধেয়কখনে  সমাজ কল্যাণত নেতিবাচক প্ৰভাৱ নেপেলায় বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে এখন উন্নত আৰু আত্মনিৰ্ভৰশীল গ্ৰামীণ ভাৰতৰ দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

০০০০

উন্নত ভাৰতৰ বৈদেশিক নীতি সুদূৰপ্ৰসাৰী পৰিকল্পনাৰ সৈতে দীৰ্ঘকালীন তথা অভিলাষী হোৱা উচিত বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এচ জয় শংকৰে মন্তব্য কৰিছে। দেশৰ আন্তৰ্জাতিক স্থিতি অধিক শক্তিশালী কৰি তুলিবলৈ আন মিত্ৰ দেশসমূহক অন্তৰ্ভুক্ত কৰাৰ প্ৰয়োজন সন্দৰ্ভতো মন্ত্ৰীগৰাকীয়ে আলোকপাত কৰে। পুনেৰ চিমবায়'চিচ ইন্টাৰনেছনেল ডীমড বিশ্ববিদ্যালয়ৰ ২২ সংখ্যক সমাবৰ্তন সমাৰোহত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি শিক্ষাৰ্থীসকলক উদ্দেশ্যি তেওঁ ভাষণ দিয়ে। তেওঁ ২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বলৈ চালিকা শক্তি হিচাপে কাম কৰাৰ বাবে যুৱচামলৈ আহ্বান জনায়।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী গৰাকীয়ে সাম্প্ৰতিক কালত প্ৰযুক্তি, মূলধন আৰু বিনিয়োগৰ দৰে খণ্ডসমূহত বহু মানসিক চাপ থকা সন্দৰ্ভতো মত প্ৰকাশ কৰে। দেশে নিৰ্মাণ সামৰ্থ আৰু প্ৰযুক্তিগত প্ৰগতি বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভৱিষ্যতৰ প্ৰত্যাহ্বান সমূহৰ মুখামুখি হ'ব পৰাকৈ সমৰ্থবান হৈ উঠা উচিত বুলি তেওঁ মন্তব্য কৰে।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ মহাকাশ সংস্থা নাচাৰ সৈতে  মহাকাশযান মাৱেনৰ সংযোগ বিচ্ছিন্ন হৈছে। বিগত দুসপ্তাহ ধৰি মহাকাশযানখনৰ পৰা কোনো তথ্য লাভ কৰিব পৰা হোৱা নাই। ২০১৪ চনৰ পৰা মংগল গ্ৰহৰ পৰিৱেশ সম্পৰ্কে  অধ্যয়ন চলাই থকা যানখনৰ পৰা নিয়মীয়া তথ্যৰ প্ৰেৰণ ব্যাহৃণ হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত যানখনে নিৰ্দিষ্ট পৰিসৰৰ পৰা বিচ্যুত হোৱাৰ আশংকা প্ৰকট হৈছে। ইপিনে, নাচাই সংস্থাটোৰ অন্যান্য অভিযানসমূহৰ জৰিয়তে মঙল গ্ৰহত ব্যাপক অন্বেষণ অব্যাহত ৰাখিছে।

০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ সঞ্চালকসকলৰ কেন্দ্ৰীয় পৰিষদে কালি হায়দৰাবাদত অনুষ্ঠিত বেংকৰ ৬২০ সংখ্যক বৈঠকত বেংকসমূহৰ বাবে এটা শংকা আধাৰিত জমা বীমা

পৰিকাঠামোত মঞ্জুৰি দিছে। যোৱা অক্টোবৰত ৰিজাৰ্ভ বেংকে দিয়া এটা বিবৃতিত শংকা আধাৰিত প্ৰিমিয়াম আৰ্হিৰ প্ৰস্তাৱ দিয়া হৈছিল। পৰিষদে আন্তৰ্জাতিক আৰু ঘৰুৱা অৰ্থনৈতিক পৰিস্থিতি সন্দৰ্ভতো আলোচনা কৰে।

০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আয়ে আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ১৫জনীয়া দল ঘোষণা কৰিছে। সূৰ্য কুমাৰ যাদৱক দলটোৰ অধিনায়ক হিচাপে দায়িত্ব দিয়া হৈছে। শাৰিৰীক অসুস্থতা আৰু ফৰ্ম নথকাৰ বাবে শুভমন গীলক উপ-অধিনায়কৰ দায়িত্বৰ পৰা অব্যাহতি দিয়া হৈছে আৰু দলৰ পৰাও বাদ দিয়া হৈছে। অক্ষৰ পেটেলক পুনৰ উপ-অধিনায়কৰ দায়িত্ব অৰ্পণ কৰা হৈছে। দলত সঞ্জু ছেমচন আৰু অভিষেক শৰ্মাক অপেনাৰ হিচাপে দলত স্থান দিয়া হৈছে। উইকেট কীপাৰ বেটছমেন ঈষাণ কিষাণক দ্বিতীয় উইকেট কীপাৰ হিচাপে দলত অন্তৰ্ভুক্ত কৰা হৈছে। ভাৰতীয় দলটোৰ সদস্যসকলৰ ভিতৰত সূৰ্য কুমাৰ যাদৱ, অভিষেক শৰ্মা, সঞ্জু ছেমচন, তিলক বাৰ্মা, হাৰ্দিক পাণ্ডিয়া, শিৱম ডুবে, অক্ষৰ পেটেল, ৰিংকু সিং, যশপ্ৰীত বুমৰা, হৰ্ষিত ৰাণা, অৰ্শ্বদীপ সিং, কুলদীপ যাদৱ, বৰুণ চক্ৰৱৰ্তী, ৱাশ্বিংটন সুন্দৰ আৰু ঈষাণ কিষাণ আছে। আই চি চি টি-২০ বিশ্বকাপ অহা বছৰ ৭ ফেব্ৰুৱাৰীৰ পৰা ৮ মাৰ্চলৈ অনুষ্ঠিত হ'ব।

০০০০

কেন্দ্ৰীয় চৰকাৰে অহা ফেব্ৰুৱাৰীত দাখিল কৰিবলগীয়া ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেটৰ বাবে জনসাধাৰণৰ পৰা দিহা-পৰামৰ্শ বিচাৰিছে। সৰ্বাত্মক বিকাশ আৰু ৰাষ্ট্ৰীয় প্ৰগতিৰ ধাৰা শক্তিশালী কৰাৰ লগতে জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণেই ইয়াৰ মূল উদ্দেশ্য। WWW.MYGOV.IN পৰ্টেলৰ জৰিয়তে বাজেটৰ বাবে দিহা-পৰামৰ্শ প্ৰেৰণ কৰিব পৰা যাব।

০০০০

ঃঃ সমাপ্ত ঃঃ